জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৩৩/২০২০

# ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৭ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ দ্বাৰা ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰে। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ দ্বাৰা ৰূপায়ণ হৈ থকা আঁচনিসমূহ শীঘ্ৰে ৰূপায়ণৰ পদক্ষেপ ল'বলৈ বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ অধীনত গ্ৰামাঞ্চলৰ খেলপথাৰ উন্নয়ন, ১ হাজাৰ গৰাকী খেলুৱৈৰ প্ৰতিগৰাকীক ৫০ হাজাৰ টকাকৈ প্ৰদান, তৃণমূল পৰ্যায়ত গ্ৰাম্য অলিম্পিক আয়োজন, চাহ বাগিচাৰ খেলপথাৰ উন্নয়ন, গুৱাহাটী বিশ্ববিদ্যালয়ত নিৰ্মাণ কৰি থকা তীখৰ পাৰ্ক ইত্যাদি বিষয়সমূহৰ অগ্ৰগতিৰ বুজ লয়। বৈঠকত ক্ৰীড়া বিভাগৰ আয়ুক্ত মলয় বৰাই বিভাগৰ অধীনত ৰূপায়িত হৈ থকা কাম-কাজসমূহৰ বিষয়ে মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ আয়ুক্ত মলয় বৰা, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক ধৰ্মেশ্বৰ মিলি, স্পৰ্টচ অথ'ৰিটি অৱ আচামৰ অধ্যক্ষ ওংকাৰমল কেদিয়া প্ৰমুখ্যে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

পুঃডেঃ
১৭/১২/২০২০